**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-12-2024
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
***-----------***

০০০০০০০

১। লোকসভাত আজি সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰা সন্দৰ্ভত বিশেষ আলোচনা আৰম্ভ হৈছে।

২। ২০২৫ বৰ্ষৰ মহাকুম্ভ মেলা ঐক্য আৰু সমতাৰ এনে মহাযজ্ঞ হ'ব, যিয়ে ৰাষ্ট্ৰক পথ প্ৰদৰ্শন কৰি আগুৱাই লৈ যাব আৰু সমগ্ৰ বিশ্বই এই লৈ আলোচনা কৰিব।

৩। চৰকাৰে ২০১৪ চনৰে পৰা চলোৱা নিৰন্তৰ প্ৰচেষ্টাৰ বাবে পাকিস্তানৰ বিভিন্ন কাৰাগাৰত বন্দী হৈ থকা দুহেজাৰ ৬৩৯ গৰাকী ভাৰতীয় মাছমৰীয়াৰ মুক্তি সম্ভৱ হৈ উঠিছে।

৪। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰ দিশানায়কে পৰহিলৈ ভাৰতলৈ আহিব।

***আৰু***

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈৰ পৰা ব্ৰিছবেনত অনুষ্ঠিত হ'ব।

০০০০০০০

লোকসভাত আজি সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰা সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়। আলোচনাৰ পাতনি মেলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে ভাৰতীয় সংবিধানে সামাজিক,অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ সকলো দিশ স্পৰ্শ কৰি ৰাষ্ট্ৰ গঠনৰ পথ প্ৰশস্ত কৰিছে। সংবিধানখন দেশৰ সভ্যতাৰ প্ৰমূল্যৰাজিৰ অভিব্যক্তিস্বৰূপ বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ৭৫ বছৰ পূৰ্বে সংবিধান সভাই নতুনকৈ স্বাধীনতা লাভ কৰা ভাৰতবৰ্ষৰ বাবে সংবিধান প্ৰণয়নৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছিল। প্ৰায় ৩ বছৰজোৰা গভীৰ চিন্তা-চৰ্চা আৰু আলাপ-আলোচনাৰ অন্তত দেশে সংবিধান লাভ কৰিছিল। তেওঁ কয়, যে সংবিধান সভাই ৰচনা কৰা সংবিধানখন অকল আনুষ্ঠানিক নথিয়েই নহয়, বৰং জনসাধাৰণৰ ইচ্ছাৰ অভিব্যক্তি আছিল।

বিৰোধী কংগ্ৰেছক পৰোক্ষভাৱে সমালোচনা কৰি শ্ৰীসিঙে কয়, যে যোৱা কেইটামান বছৰত সংবিধানখন এটা নিৰ্দিষ্ট দলৰ অৱদান বুলি প্ৰক্ষেপ কৰাৰ চেষ্টা কৰা হৈছে। তেওঁ কয়, যে সংবিধানখন

কোনো এটা নির্দিষ্ট দলৰ অৱদান নহয়, বৰং ভাৰতীয় প্ৰমূল্য অনুসৰি প্ৰণয়ন কৰা অভূতপূৰ্ব অতুলনীয় নথি। বৰ্তমান চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সবকা সাথ-সবকা বিকাশ- সবকা বিশ্বাস আৰু সবকা প্ৰয়াস ভাৱনাৰে কাম কৰি আহিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীসিঙে ভাৰতীয় সংবিধানখন প্ৰগতিশীল, সৰ্বাত্মক আৰু পৰিৱৰ্তনকামী বুলি অভিহিত কৰে। তেওঁ কয়, যে মদন মোহন মালব্য, লালা লাজপট ৰায়, ভগৎ সিং আৰু বীৰ সাৱৰকাৰৰ দৰে নেতাসকলৰ চিন্তাৰাজিয়ে সংবিধানখন শক্তিশালী কৰি তুলিছে।

আলোচনাত অংশ লৈ কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী ভাদ্ৰাই কয়, যে সংবিধানখন নাগৰিকসকলৰ বাবে সুৰক্ষা কৱচস্বৰূপ। সংবিধানখন ন্যায়, একতা আৰু অভিব্যক্তিৰ অধিকাৰৰ কৱচ বুলি সাংসদগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী ভাদ্ৰাই শাসকীয় পক্ষই এই সুৰক্ষা কৱচ ভঙাৰ চেষ্টা চলোৱা বুলি অভিযোগ তোলে। চৰকাৰে ব্যক্তিগতকৰণ আৰু লেটাৰেল এণ্ট্ৰি অৰ্থাৎ পৰম্পৰাগত চৰকাৰী সেৱাৰ বাহিৰৰ এগৰাকী ব্যক্তিক নিযুক্তি দিয়াৰ দৰে কামৰ জৰিয়তে চৰকাৰে সংৰক্ষণ ব্যৱস্থা দুৰ্বল কৰাৰ চেষ্টা চলোৱা বুলিও তেওঁ অভিযোগ তোলে। আলোচনাত ভাগ লৈ সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে কয়, যে সংবিধান গণতন্ত্ৰৰ আত্মাস্বৰূপ। তেওঁ কয়, যে সদনে ৭৫ বছৰ পাছত পুনৰ সংবিধানক লৈ আলোচনা কৰিবলৈ লৈছে। শ্ৰী যাদৱে কয়, যে সংবিধানখন দেশৰ নিপীড়িত, বঞ্চিতসকলৰ প্ৰকৃত ৰক্ষক। তেওঁ লগতে প্ৰতিনিধিত্ব আৰু সংৰক্ষণৰ অভাৱত ভালেমান সম্প্ৰদায়ে জীয়াতু ভুগিবলগীয়া হৈছে বুলিও দাবী কৰে।

ধৰ্ম-নিৰপেক্ষতা সংবিধানৰ প্ৰস্তৱনাৰ অংশ বুলি উল্লেখ কৰি তৃণমূল কংগ্ৰেছৰ কল্যাণ বেনাৰ্জীয়ে বিগত ১০ বছৰত দেশৰ ধৰ্ম-নিৰপেক্ষ পৰিকাঠামো বিপদৰ সন্মুখীন হোৱা বুলি অভিযোগ তোলে।

আলোচনাত অংশ লৈ ডি এম কেৰ টি আৰ বালুৱে কয়, যে সমাজবাদ আৰু ধৰ্ম-নিৰপেক্ষতা অকল প্ৰস্তাৱনাৰ অংশই নহয়, বৰং ভাৰতীয় গণতন্ত্ৰ আৰু সৰ্বাত্মক অভিযানৰ সাৰমৰ্ম স্বৰূপ।

জনতা দল ইউনাইটেডৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কয়, যে সংবিধানে সমাজৰ সকলো শ্ৰেণীৰ বাবে সামাজিক আৰু অৰ্থনৈতিক প্ৰগতিৰ পথ প্ৰশস্ত কৰি আহিছে। জনসাধাৰণে সংবিধান বিনষ্ট কৰিব খোজাসকলক তেওঁলোকৰ স্থান দেখুৱাই দিছে বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে।

টি ডি পিৰ সাংসদ ড০ বায়ৰেড্ডী চবৰীয়েও এই আলোচনাত ভাগ লয়।

০০০০০০০

২০২৫ বৰ্ষৰ মহাকুম্ভ মেলা ঐক্য আৰু সমতাৰ এনে মহাযজ্ঞ হ'ব, যিয়ে ৰাষ্ট্ৰক পথ প্ৰদৰ্শন কৰি আগুৱাই লৈ যাব আৰু সমগ্ৰ বিশ্বই এই লৈ আলোচনা কৰিব। প্ৰয়াগৰাজৰ সংগমত আজি ২০২৫ বৰ্ষৰ মহাকুম্ভ মেলা আনুষ্ঠানিকভাৱে উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, অহা বছৰৰ ১৩ জানুৱাৰীৰ পৰা চৰকাৰীভাৱে আৰম্ভ হ'বলগীয়া এই মহাকুম্ভ মেলাৰ অহা ২৬ ফেব্ৰুৱাৰীত সামৰণি পৰিব। ইয়াৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰয়াগৰাজৰ আন্তঃগাঁথনি বিকাশৰ উদ্দেশ্যে প্ৰায় ৫ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত ১০ খন নতুন উৰণ সেতু, নদী ঘাট, নদীৰ দাঁতিৰ পথ আদি সামৰি লোৱা হৈছে। এই প্ৰকল্পসমূহে প্ৰয়াগৰাজ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ মাজত যোগাযোগ অধিক সুচল কৰি তুলিব। শ্ৰীমোদীয়ে কয়, যে পবিত্ৰ প্ৰয়াগৰাজৰ এই মহা কুম্ভমেলাই নতুন ইতিহাস ৰচনা কৰিব। এই মেলাই এক ভাৰত, শ্ৰেষ্ঠ ভাৰতৰ প্ৰকৃত আদৰ্শকো প্ৰতিনিধিত্ব কৰে।

0000000

চৰকাৰে ২০১৪ চনৰে পৰা চলোৱা নিৰন্তৰ প্ৰচেষ্টাৰ বাবে পাকিস্তানৰ বিভিন্ন কাৰাগাৰত বন্দী হৈ থকা দুহেজাৰ ৬৩৯ গৰাকী ভাৰতীয় মাছমৰীয়াৰ মুক্তি সম্ভৱ হৈ উঠিছে। বিদেশ মন্ত্ৰী ডঃ এছ জয়শংকৰে আজি লোকসভাৰ প্ৰশ্নকালত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে দূতাবাসৰ সৈতে যোগাযোগ ৰক্ষা সন্দৰ্ভত ভাৰত আৰু পাকিস্তানৰ সৈতে ২০০৮ চনত স্বাক্ষৰিত চুক্তিৰ অধীনত দুয়োখন দেশে পৰস্পৰৰ কাৰাগাৰত বন্দী হৈ থকা অসামৰিক লোক আৰু মাছমৰীয়াসকলৰ তালিকা বিনিময় কৰি আহিছে। প্ৰতি বছৰে পহিলা জানুৱাৰী আৰু পহিলা জুলাইত এই তালিকা বিনিময় কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ১ জুলাইত বিনিময় কৰা তালিকা অনুসৰি পাকিস্তানে দমন আৰু ডিউৰ ২৪ গৰাকী মাচমৰীয়াসহ মুঠ ২১১ গৰাকী ভাৰতীয়ক দেশখনৰ জিম্মাত থকাৰ কথা স্বীকাৰ কৰিছে।

0000000

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰ দিশানায়কে পৰহিলৈ ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত এয়া শ্ৰীদিশানায়কেৰ প্ৰথম ভ্ৰমণ হ'ব। তেওঁ কয়, যে এই তিনিদিনীয়া ভ্ৰমণকালত অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক, আঞ্চলিক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ আলোচনা কৰিব। মুখপাত্ৰগৰাকীয়ে কয়, যে শ্ৰীদিশানায়কে দিল্লীত হ'বলগীয়া এটা ব্যৱসায় অনুষ্ঠানত ভাগ ল'ব আৰু বুদ্ধগয়ালৈও যাব।

0000000

দেশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১০ বছৰত আন্তঃগাঁথনি খণ্ডত অভূতপূৰ্ব বিকাশ হৈছে বুলি বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধৰীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে ২০১৪ চনত ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্কৰ দৈৰ্ঘ্য ৯১ হাজাৰ ২৮৭ কিলোমিটাৰ আছিল আৰু যোৱা নবেম্বৰ পৰ্যন্ত এই নেটৱৰ্ক প্ৰায় ডেৰ গুণ বৃদ্ধি পাই ১ লাখ ৪৬ হাজাৰ ১৯৫ কিলোমিটাৰ হৈছে।

0000000

যোৱা ১০ ডিচেম্বৰ পৰ্য্যন্ত সমগ্ৰ দেশত ১ লাখ ৭৫ হাজাৰৰো অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰা হৈছে। লোকসভাত আজি এটা লিখিত উত্তৰত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে গাঁও আৰু চহৰ অঞ্চলত থকা উপ স্বাস্থ্য কেন্দ্ৰ আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহৰ ৰূপান্তৰ কৰি এই আৰোগ্য মন্দিৰসমূহ স্থাপন কৰা হৈছে।

0000000

দেশত ব্যাপক সজাগতা অভিযান আৰু নতুনকৈ গ্ৰহণ কৰা ভালেমান ব্যৱস্থাৰ বাবে অংগদান, অংগ সংৰোপণ আৰু কলা দান বৃদ্ধি পাইছে। লোকসভাত আজি এটা লিখিত উত্তৰত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাধৱে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২৩ চনত দেশত ১৮

হাজাৰৰো অধিক অংগ সংৰোপণ আৰু ১৬ হাজাৰ ৫৪২ টা অংগ দান পঞ্জীয়ন হৈছে। তেওঁ কয়, যে ২০১৮ চনত অংগ সংৰোপণৰ সংখ্যা আছিল প্ৰায় ৭ হাজাৰ আৰু অংগ দানৰ সংখ্যা আছিল ছহেজাৰ ২৯৪।

0000000

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ  ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট  ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈৰ পৰা ব্ৰিছবেনত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৫ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। দুয়োটা দলে বৰ্তমানলৈ একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতে শৃংখলাৰ প্ৰথমখন খেলত ২৯৫ ৰাণত জয়লাভ কৰিছে। একেদৰে, অষ্ট্ৰেলিয়াই দ্বিতীয়খন খেলত ১০ উইকেটত জয়লাভ কৰিছে।

0000000

সমাপ্ত